# অসম আদিত্য

আহিন, ১৯৪৫ শক ■ শুকুৰবাৰ, ২৯ ছেপ্টেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Friday, September 29, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


ঠাইত বৰফ লগাই দিয়া বুলিহে প্ৰতিঅভিযোগ উত্থাপন কৰিছে। আনহাতে, বিদ্যালয়খনৰ ভিতৰচ'ৰাত ব্যাপক বিসংগতি হোৱা বুলি আন এক গুৰুতৰ অভিযোগো উত্থাপন হৈছে। প্ৰকৃতাৰ্থত নামতহে প্লে' স্কুল, বাস্তৱ ক্ষেত্ৰত খেলাৰ বিশেষ সা-সামগ্ৰী নাই। বিদ্যালয়ৰ এটি কোঠাত পৰিতপ্ত অৱস্থাত আছে দুই-এখন খেলাৰ সামগ্ৰী। বিদ্যালয় চৌহদত এখন ঝুলনা আছিল যদিও তাত শিশুৱে বহিব পৰা আসন এখনো নাই। এনেদৰেই এতিয়া বিদ্যালয়ৰ নামত অভিভাৱক-অভিভাৱিকাৰ পৰা বুজন পৰিমাণৰ ধন সংগ্ৰহেৰে ব্যৱসায় অব্যাহত ৰাখিছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে।



## ডিএইচএছ কানৈ কলেজত বিশ্ব পৰ্যটন দিৱস পালন



**ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এইবাৰো সমগ্ৰ বিশ্বৰ লগতে ২৭ ছেপ্টেম্বৰত বিশ্ব পৰ্যটন দিৱস উদ্‌যাপন কৰা হয়। অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড০ ৰুবাব ফাটেমা নমানীয়ে আঁত ধৰা অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু ডিএইচএছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক ড০ জেকব কোঁৱৰে সমল ব্যক্তি হিচাপে উপস্থিত থাকি পৰ্যটনৰ ইতিবৃত্ত সম্পৰ্কে ব্যক্ত কৰে। অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ পাৰ্থ গাংগুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰী নীতিশা গগৈ, লিজা শইকীয়া আৰু শিল্পীশিখা দত্তই মাজুলীৰ পৰ্যটন সম্পৰ্কত অতি সাৱলীলভাৱে আলোচনা-চক্ৰত ক্ষেত্ৰ অধ্যয়ন ভিত্তিত দলীয়ভাৱে দুখন গৱেষণা-পত্ৰ পাঠ কৰে। দুয়োখন গৱেষণা-পত্ৰৰ উপস্থাপন, অধ্যয়নত সন্তুষ্ট হৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই দুয়োটা দলক নেতৃত্ব প্ৰদান কৰা ছাত্ৰীকেইগৰাকীক এহাজাৰ টকাকৈ পুৰস্কাৰ প্ৰদান কৰি উৎসাহিত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ যুৱ পৰ্যটন ক্লাবৰ উদ্যোগত অনুষ্ঠিত হোৱা প'ষ্টাৰ মেকিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে— মেঘা অধিকাৰী, লক্ষ্যজিৎ দত্ত আৰু আদিত্য সোনোৱালক পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ যুৱ পৰ্যটন ক্লাবৰ যুটীয়া সমন্বয়ক ড০ মিতালী চলিহা আৰু ড০ মৰমী তালুকদাৰক ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।



আজি ... বি ... গুৱ ...

নেতৃ ...

গুৱাহাটী, ... মাজত মা... বিশ্বৰ দৃষ্টি ... এদিনীয়া বি...

...য়মীয়া হ'ব গুৱাহাটী-...

...ও জনতালৈ উ...

...ং সং...